**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-03-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

---------------------------

যশস্বী চলচ্চিত্ৰ নিৰ্মাতা, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাক কালি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে যোৰহাটত আয়োজন কৰা অনুষ্ঠানত মঘাই ওজা বঁটা প্ৰদান কৰে। পৰিষদৰ উদ্যোগত আয়োজিত পঞ্চদশ বাৰ্ষিক মঘাই ওজা দিৱসৰ অংশ হিচাপে এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, চেলেং, শৰাই, জাপি, সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু নগদ ২৫ হাজাৰ টকা। অনুষ্ঠানত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই, যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড০ জ্যোতিৰেখা হাজৰিকাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইপিনে গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত শিল্পী চৈয়দ চাদুল্লা লৈ আগবঢ়োৱা হৈছে। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ সমাজে প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহত খালী হৈ থকা প্ৰধানশিক্ষকৰ পদ পূৰণৰ বাবে বিদ্যালয় শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষক পদৰ বাবে বাছনি কৰা হ'ব। তদুপৰি প্ৰাথমিক সঞ্চালকালয়ৰ অধীনত হোৱা বিশেষ নিযুক্তি প্ৰক্ৰিয়াত শিক্ষক এগৰাকীৰ নিযুক্তিৰ তাৰিখৰ পৰা জ্যেষ্ঠতা বাছনি কৰা হ'ব। ঠিকাভিত্তিত নিয়োজিত শিক্ষকক জ্যেষ্ঠতাৰ তালিকাত অন্তৰ্ভুক্ত কৰা নহ'ব বুলিও কোৱা হৈছে। চি আৰ চি চি অৰ্থাৎ ক্লাষ্টাৰ ৰিচাৰ্চ চেণ্টাৰ কো-অৰ্ডিনেটৰ হিচাপে দায়িত্ব নিৰ্বাহ কৰি থকা কোনো শিক্ষক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হিচাপে বাছনিভুক্ত হ'লে তেওঁ চি আৰ চি চি পদ ত্যাগ কৰিব বুলি লিখিতভাৱে শিক্ষা বিভাগক অৱগত কৰিব লাগিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। নিয়মীয়া প্ৰধানশিক্ষক নথকা বিদ্যালয়সমূহত জিলা প্ৰাথমিক শিক্ষা বিষয়া বা বিদ্যালয়ৰ পৰিদৰ্শকে এগৰাকী শিক্ষকক ভাৰপ্ৰাপ্ত প্ৰধানশিক্ষকৰ দায়িত্ব অৰ্পণ কৰিব। একেদৰে নিয়মীয়া শিক্ষক নথকা বিদ্যালয়ত বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনত নিযুক্তিপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষকৰ দায়িত্ব দিয়া হ'ব। একেলগ কৰা দুখন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষকে প্ৰধানশিক্ষকৰ দায়িত্ব লাভ কৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০০

ভাৰতৰ প্ৰথমটো বিস্তৃত শিহুৰ জৰীপত সমগ্ৰ দেশতে মুঠ ৬ হাজাৰ ৩২৭টা শিহু অৱস্থিতিৰ অনুমান কৰা হৈছে। শেহতীয়াকৈ গুজৰাটৰ জুনাগড়ত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সপ্তম বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি নদী ডলফিন হিচাপে জনাজাত শিহুৰ ৬৩৫টাৰ অৱস্থিতি অসমৰ ৫ খন নদীত দেখিবলৈ পোৱা গৈছে। এই সমীক্ষা অনুসৰি অসম, এইবিধ বিলুপ্তপ্ৰায় প্ৰাণীৰ অন্যতম মূল

সংৰক্ষণ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে আৰু ব্ৰহ্মপুত্ৰত ইয়াৰ অৱস্থিতি সুস্থিৰ তথা নিৰাপদ। প্ৰজেক্ট ডলফিনৰ অধীনত কৰা এই সমীক্ষাত অসমৰ নদী ব্যৱস্থা লক্ষ্যভিত্তিত সংৰক্ষণ প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হৈছে।

০০০০০০

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড এপিডিচিলে ২০২৬-২৭ বৰ্ষৰ ভিতৰত ৭৫০ মেগাৱাট সৌৰশক্তি উৎপাদন কৰাৰ লক্ষ্য স্থিৰ কৰিছে। এছিয়ান ডেভেলপমেণ্ট বেংকে এই সৌৰশক্তি উৎপাদন প্ৰকল্পৰ দ্বাৰা ৰাজ্যখনৰ নৱীকৰণযোগ্য শক্তি সামৰ্থ বৃদ্ধিৰ বাবে বিত্তৰ যোগান ধৰিব। এপিডিচিলে অসম বিদ্যুৎ নিয়ামক আয়োগৰ ৰাজ্যিক উপদেষ্টা সমিতিক এই বিষয়ে অৱগত কৰিছে। সংস্থাটোৱে সমিতিখনক অৱগত কৰা অনুসৰি ক'ল ইণ্ডিয়া লিমিটেডৰ ২০১৭ চনৰ শক্তি নীতিৰ অধীনত এপিডিচিলে ৫০০ মেগাৱাট শক্তি উৎপাদনৰ বাবে কয়লা সৰবৰাহৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিও লাভ কৰিছে।

০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু একেদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

উল্লেখযোগ্য যে পৰিষদীয় নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। এইবাৰ ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিয়ে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ৬টা সমষ্টিত বিজেপিয়ে প্ৰাৰ্থী দিছে।

০০০০০০

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চিত্ৰশিল্পী হিচাপে পৰিচিত অসম কাৰ্টুনিষ্ট প্ৰদীপ নাথে ৰাছিয়াৰ ৰাজধানী মস্কোত অনুষ্ঠিত এখন চিত্ৰ প্ৰদৰ্শনীত অংশগ্ৰহণ কৰে। যোৱা ১৪ আৰু ১৫ মাৰ্চত ভাৰতৰ দূতাৱাসে মস্কোত অৱস্থিত জৱাহৰলাল নেহৰু সাংস্কৃতিক কেন্দ্ৰত দুদিনীয়াকৈ আয়োজন কৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই চিত্ৰ প্ৰদৰ্শনীত শ্ৰীনাথে তেওঁ অংকন কৰা চিত্ৰ শিল্পসমূহ প্ৰদৰ্শন কৰে। বিশ্বৰ কেইবাখনো দেশৰ চিত্ৰশিল্পীৰ লগতে ভাৰতীয় মূলৰ শ্ৰীনাথসহ মুঠ ১১ গৰাকী চিত্ৰশিল্পীয়ে এই প্ৰদৰ্শনীত ভাগ লয়। প্ৰদীপ নাথৰ চিত্ৰসমূহে বিভিন্ন ৰাষ্ট্ৰৰ শিল্পীসকলৰ প্ৰশংসা বুটলিবলৈ সমৰ্থ হয়।

০০০০০০

**সমাপ্ত**